**18-02-2026** প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**"মৰমৰ সন্তানসকল - তোমালোক এই বিশ্ব বিদ্যালয়লৈ পুৰণি সৃষ্টিৰ পৰা মৰি নতুন সৃষ্টিলৈ যাবলৈ আহিছা, এতিয়া তোমালোকৰ প্ৰীতি এক ভগৱানৰ সৈতে গঢ়ি উঠিছে"**

প্ৰশ্ন: কোনটো বিধিৰ দ্বাৰা পিতাৰ স্মৃতিয়ে তোমালোকক চহকী কৰি তোলে?

উত্তৰ: পিতা হ'ল বিন্দু। তোমালোকে বিন্দু হৈ বিন্দুক স্মৰণ কৰিলে চহকী হৈ যাবা। যেনেকৈ একৰ পাছত বিন্দু (শূন্য) বহুৱালে তেতিয়া 10 হয়, আকৌ বিন্দু বহুৱালে তেতিয়া 100 হয়, আকৌ 1000 হৈ যাব। এনেকৈ পিতাৰ স্মৃতিৰে বিন্দু লাগি গৈ থাকে। তোমালোক ধনৱান হৈ গৈ থাকা। স্মৃতিত থাকিলেই সঁচা উপাৰ্জন হয়।

গীত: মেহফিল মে জ্বল উঠী শমা....... (ৰঙ্গশালাত জ্বলি উঠিল বন্তি শিখা.......)

ওঁম্ শান্তি। এই গীতটিৰ অৰ্থ কিমান বিচিত্ৰ – প্ৰীতি জাগি উঠিছে কাৰ প্ৰতি? কাৰ হৈছা? ভগৱানৰ প্ৰতি কিয়নো এইখন সৃষ্টিৰ পৰা মৰি তেওঁৰ ওচৰলৈ যাব লাগে। এনেকৈ কেতিয়াবা কাৰোবাৰ প্ৰতি প্ৰীতি গঢ়ি উঠে জানো? এনেকুৱা প্ৰীতি যাৰ বাবে এইটো খেয়াল আহিব যে মৰি যাম। তেতিয়া কোনোবাই প্ৰীতি ৰাখিব জানো? গীতটিৰ অৰ্থ কিমান আচৰিত। বন্তিৰ শিখাৰ (পৰমাত্মাৰ) সৈতে চগা পোকে (আত্মাসকলে) প্ৰীতি ৰাখি পৰিক্ৰমা লগাই লগাই জ্বলি মৰে। তোমালোকেও পিতাৰ স্নেহত এই শৰীৰ ত্যাগ কৰিব লাগে অৰ্থাৎ পিতাক স্মৰণ কৰি কৰি শৰীৰ ত্যাগ কৰিব লাগে। এই গায়ন কেৱল এজনৰ বাবে। সেই পিতা যেতিয়া আহে তেতিয়া তেওঁৰ সৈতে যিসকলে প্ৰীতি গঢ়ি তোলে, তেওঁলোক এইখন জগতৰ পৰা মৰিবলগীয়া হয়। ভগৱানৰ সৈতে প্ৰীতি ৰাখে তেন্তে মৰি ক'লৈ যাব। নিশ্চয় ভগৱানৰ ওচৰলৈকে যাব। মনুষ্যই ভগৱানৰ ওচৰলৈ যাবলৈ দান-পুণ্য তীৰ্থ যাত্ৰা আদি কৰে। শৰীৰ ত্যাগ কৰাৰ সময়তো মনুষ্যক কোৱা হয় – ভগৱানক স্মৰণ কৰা। ভগৱান কিমান প্ৰসিদ্ধ। তেওঁ যেতিয়া আহে তেতিয়া গোটেই সৃষ্টি নাশ কৰি দিয়ে। তোমালোকে জানা – আমি এই বিশ্ব বিদ্যালয়লৈ আহোঁ পুৰণি সৃষ্টিৰ পৰা মৰি নতুন সৃষ্টিলৈ যাবলৈ। পুৰণি সৃষ্টিক পতিত সৃষ্টি, নৰক বুলি কোৱা হয়। পিতাই নতুন সৃষ্টিলৈ যোৱাৰ ৰাস্তা দেখুৱায়। কেৱল মোক স্মৰণ কৰা, মই হৈছোঁ স্বৰ্গ স্থাপন কৰোঁতা ঈশ্বৰ পিতা। সেই পিতাৰ পৰা তোমালোকে ধন পোৱা, সম্পত্তি, ঘৰ আদি পোৱা। কন্যাসকলেতো উত্তৰাধিকাৰ নাপায়। তেওঁলোকক আনৰ ঘৰলৈ পঠিয়াই দিয়ে। অৰ্থাৎ তেওঁলোক উত্তৰাধিকাৰী নহ'ল। এই ভগৱানতো হ'ল সকলো আত্মাৰে পিতা, এওঁৰ ওচৰলৈ সকলোৱে আহিব লাগে। কোনোবা সময়ত নিশ্চয় পিতা আহে, সকলোকে ঘৰলৈ লৈ যায় কিয়নো নতুন সৃষ্টিত বহুত কম মনুষ্য থাকে। পুৰণি সৃষ্টিততো বহুত থাকে। নতুন সৃষ্টিত মনুষ্যও কম আৰু সুখো বহুত। পুৰণি সৃষ্টিততো বহুত মনুষ্য সেয়েহে দুখো বহুত, সেইবাবে মিনতি কৰে। বাপু গান্ধীয়েও কৈছিল – হে পতিত-পাৱন আহক। কেৱল তেওঁক জনা নাছিল। বুজিও পায় – পতিত-পাৱন পৰমপিতা পৰমাত্মা, তেৱেঁই বিশ্বৰ মুক্তিদাতা। ৰাম-সীতাকতো গোটেই জগতে নামানে। গোটেই জগতে পৰমপিতা পৰমাত্মাক মুক্তিদাতা, মাৰ্গ-দৰ্শক বুলি মানে। দুখৰ পৰা মুক্তি দিয়ে। বাৰু দুখ দিওঁতাজন কোন? পিতাইতো দুখ দিব নোৱাৰে কিয়নো তেওঁতো পতিত-পাৱন হয়। পাৱন সৃষ্টি সুখধামলৈ লৈ যাওঁতা হয়। তোমালোক হ'লা সেই আত্মিক পিতাৰ আত্মিক সন্তান। যেনেকুৱা পিতা, তেনেকুৱা সন্তান। লৌকিক পিতাৰ হৈছে লৌকিক অৰ্থাৎ পাৰ্থিৱ (দৈহিক) সন্তান। এতিয়া তোমালোক সন্তানসকলে এইটো বুজিব লাগে যে আমি আত্মা, পৰমপিতা পৰমাত্মা আমাক উত্তৰাধিকাৰ দিবলৈ আহিছে। আমি তেওঁৰ সন্তান হ'লে স্বৰ্গৰ উত্তৰাধিকাৰ নিশ্চয় পাম। তেওঁ হয়েই স্বৰ্গ স্থাপন কৰোঁতা। আমি বিদ্যাৰ্থী, এইটো পাহৰা উচিত নহয়। সন্তানসকলৰ বুদ্ধিত থাকে – শিৱবাবাই মধুবনত মুৰুলী শুনায়। সেই (কাঠৰ) মুৰুলীতো ইয়াত নাই। কৃষ্ণই নৃত্য কৰা, মুৰুলী বজোৱা – সেই সকলোবোৰ ভক্তিমাৰ্গৰ। বাকী জ্ঞানৰ মুৰুলীতো শিৱবাবাইহে বজায়। তোমালোকৰ ওচৰলৈ ভাল ভাল গীত প্ৰস্তুত কৰোঁতা আহিব। গীত সাধাৰণতে পুৰুষেহে প্ৰস্তুত কৰে। তোমালোকে জ্ঞানৰ গীতহে গোৱা উচিত যাৰ দ্বাৰা শিৱবাবাৰ স্মৃতি আহে।

পিতাই কয় – মোক 'অল্ফ'ক (পিতাক) স্মৰণ কৰা। শিৱক বিন্দু বুলি কোৱা হয়। বেপাৰীসকলে বিন্দু লিখিলে তেতিয়া ক'ব শিৱ। একৰ পাছত বিন্দু (শূন্য) বহুৱালে তেতিয়া 10 হ'ব, আকৌ বিন্দু বহুৱালে তেতিয়া 100 হ'ব। আকৌ বিন্দু বহুৱালে 1000 হৈ যাব। গতিকে তোমালোকেও শিৱক স্মৰণ কৰিব লাগে। যিমান শিৱক স্মৰণ কৰিবা বিন্দু লাগি গৈ থাকিব। তোমালোক আধাকল্পৰ বাবে চহকী হৈ যোৱা। তাত গৰিব নাথাকেই। সকলো সুখী। দুখৰ নাম নাই। পিতাৰ স্মৃতিৰে বিকৰ্ম বিনাশ হৈ গৈ থাকিব। তোমালোক বহুত ধনৱান হৈ যাবা। ইয়াক কোৱা হয় সঁচা পিতাৰ দ্বাৰা সঁচা

উপাৰ্জন। এয়াই লগত যাব। মনুষ্য সকলো খালী হাতেৰে যায়। তোমালোক ভৰপূৰ হাতেৰে যাব লাগে। পিতাক স্মৰণ কৰিব লাগে। পিতাই বুজাইছে – পৱিত্ৰতা থাকিলে তেতিয়া শান্তি, সমৃদ্ধি পাবা। তোমালোক আত্মা প্ৰথমে পৱিত্ৰ আছিলা আকৌ অপৱিত্ৰ হ'লা। সন্ন্যাসীসকলকো অৰ্ধ-পৱিত্ৰ বুলি কোৱা হ'ব। তোমালোকৰ হ'ল সম্পূৰ্ণ সন্ন্যাস। তোমালোকে জানা – তেওঁলোকে কিমান সুখ পায়। অলপ সুখ তাৰ পাছতো দুখেই হয়। আগতে তেওঁলোকে সৰ্বব্যাপী বুলি কোৱা নাছিল। সৰ্বব্যাপী বুলি ক'লে অৱনমিত হৈ গৈ থাকে। জগতত অনেক প্ৰকাৰৰ মেলা অনুস্থিত হয় কিয়নো লাভতো হয় নহয়। এয়াও তেওঁলোকৰ বেপাৰ। কোৱা হয় – নৰৰ পৰা নাৰায়ণ হোৱাৰ বেপাৰৰ বাহিৰে বাকী সকলো বেপাৰ। এই বেপাৰ কোনোবা বিৰলজনহে কৰিব। পিতাৰ হৈ দেহ সহিত সকলো পিতাক দি দিব লাগে কিয়নো তোমালোকে বিচৰা যাতে নতুন শৰীৰ পাওঁ। পিতাই কয় – তোমালোক কৃষ্ণপুৰীলৈ যাব পাৰা কিন্তু আত্মা যেতিয়া তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হ'ব তেতিয়াহে। কৃষ্ণপুৰীত এনেকৈ নকয় – আমাক পাৱন কৰি তোলক। ইয়াত সকলো মনুষ্য মাত্ৰেই মিনতি কৰে – হে মুক্তিদাতা আহক। এই পাপ আত্মাৰ জগতৰ পৰা আমাক মুক্ত কৰক।

এতিয়া তোমালোকে জানা যে পিতা আহিছে আমাক নিজৰ লগত লৈ যাবলৈ। তালৈ যোৱা সেইটোতো ভালেই নহয় জানো। মনুষ্যই শান্তি বিচাৰে। এতিয়া শান্তি বুলি কাক কয়? কৰ্ম অবিহনেতো কোনেও থাকিব নোৱাৰে। শান্তিতো আছেই শান্তিধামত। তথাপিও শৰীৰ ধাৰণ কৰি কৰ্মতো কৰিবই লাগে। সত্যযুগত কৰ্ম কৰিও শান্তিত থাকে। অশান্তিত মনুষ্যৰ দুখ হয়, সেইবাবে কয় - শান্তি কেনেকৈ পোৱা যায়। এতিয়া তোমালোক সন্তানসকলে জানা, শান্তিধামতো আমাৰ ঘৰ হয়। সত্যযুগত শান্তিও আছে, সুখো আছে। সকলো আছে। এতিয়া সেয়া লাগে নে কেৱল শান্তি লাগে। ইয়াততো দুখ, সেইবাবে পতিত-পাৱন পিতাকো ইয়াত মিনতি কৰে। ভক্তি কৰেই ভগৱানক পাবলৈ। ভক্তিও প্ৰথমে অব্যভিচাৰী পাছত ব্যভিচাৰী হয়। ব্যভিচাৰী ভক্তিত চোৱা কি কি কৰে। ছিৰিৰ চিত্ৰত কিমান ভালকৈ দেখুওৱা হৈছে, কিন্তু প্ৰথমেতো সিদ্ধ কৰা উচিত - ভগৱান কোন? শ্ৰীকৃষ্ণক এনেকৈ কোনে গঢ়ি তুলিলে? পূৰ্বৰ জন্মত কি আছিল? বুজাবলৈ বহুত যুক্তিৰ প্ৰয়োজন। যিসকলে ভাল সেৱা কৰে তেওঁলোকৰ অন্তৰেও সাক্ষ্য দিয়ে। বিশ্ব বিদ্যালয়ত যিসকলে ভালদৰে পঢ়িব তেওঁলোক নিশ্চয় তীক্ষ্ণ হ'ব। ক্ৰমানুসৰিতো হয়েই। কোনো কোনো ভোদা বুদ্ধিৰো হয়। শিৱবাবাক আত্মাসকলে কয় – মোৰ বুদ্ধিৰ তলা খোলা। পিতাই কয় – বুদ্ধিৰ তলা খুলিবলৈকেতো আহিছোঁ। কিন্তু তোমালোকৰ কৰ্ম এনেকুৱা যে তলা নোখোলেই। বাবাই আকৌ কি কৰিব? বহুত পাপ কৰিছে। এতিয়া বাবাই তেওঁলোকক কি কৰিব? শিক্ষকক যদি বিদ্যাৰ্থীয়ে কয় যে মই কমকৈ পঢ়োঁ তেন্তে শিক্ষকে কি কৰিব? শিক্ষকে কোনো কৃপাতো নকৰে! খুব বেছি তেওঁলোকৰ বাবে অতিৰিক্ত সময় ৰাখিব। সেই ক্ষেত্ৰততো তোমালোকৰ বাধা নাই। প্ৰদৰ্শনী মুকলি কৰি ৰখা হৈছে, বহি অভ্যাস কৰা। ভক্তিমাৰ্গততো কোনোৱে ক'ব – মালা জপ কৰা, কোনোৱে ক'ব – এইটো মন্ত্ৰ স্মৰণ কৰা। ইয়াততো পিতাই নিজৰ পৰিচয় দিয়ে। পিতাক স্মৰণ কৰিব লাগে, যাৰ দ্বাৰা উত্তৰাধিকাৰ পোৱা যায়। গতিকে ভালদৰে পিতাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ ল'ব লাগে নহয়। ইয়াতো পিতাই কয় – বিকাৰগ্ৰস্ত কেতিয়াও নহ'বা। যদি বিকাৰৰ অলপো স্বাদ লাগিল তেন্তে পুনৰ বৃদ্ধি হৈ গৈ থাকিব। চিগাৰেট আদিৰ এবাৰো স্বাদ ল'লে তেতিয়া সংগৰ ৰং তৎক্ষণাৎ লাগি যায়। তাৰ পাছত অভ্যাস এৰাও মস্কিল হৈ যায়। কিমান অজুহাত উলিয়ায়। একোৰে অভ্যাস হ'ব নালাগে। ছিঃ ছিঃ অভ্যাসবোৰো ত্যাগ কৰিব লাগে। পিতাই কয় – জীৱন্তে শৰীৰৰ বোধ ত্যাগ কৰি মোক স্মৰণ কৰা। দেৱতাসকলক সদয় পৱিত্ৰ ভোগেই আগবঢ়োৱা হয়, গতিকে তোমালোকেও পৱিত্ৰ ভোজন খোৱা। আজিকালিতো খাঁটি ঘিউ পোৱা নাযায়, তেল খায়। তাত তেল আদি নাথাকে। ইয়াততো দুগ্ধশালাত দেখিবা খাঁটি ঘিউ ৰাখে, নকলো ৰাখে। দুয়োটাতে লিখা থাকে – খাঁটি ঘিউ, দামত পাৰ্থক্য আহি যায়। এতিয়া তোমালোক সন্তানসকল ফুলৰ দৰে প্ৰস্ফুটিত হৈ হৰ্ষিত হৈ থকা উচিত। স্বৰ্গততো প্ৰাকৃতিক সৌন্দৰ্য থাকে। তাত প্ৰকৃতিও সতোপ্ৰধান হৈ যায়। লক্ষ্মী-নাৰায়ণৰ নিচিনা প্ৰাকৃতিক সৌন্দৰ্য ইয়াত কোনেও সৃষ্টি কৰিব নোৱাৰে। তেওঁলোকক এই দুচকুৰে কোনোবাই চাব পাৰে জানো। অৱশ্যে সাক্ষাৎকাৰ হয় কিন্তু সাক্ষাৎকাৰ হ'লেই কোনেও হুবহু চিত্ৰ তৈয়াৰ কৰিব নোৱাৰে। যদি কোনোবা চিত্ৰকৰৰ সাক্ষাৎকাৰ হৈ যায় আৰু সেই সময়ত বহি অংকন কৰে... কিন্তু সেয়া বহুত মস্কিল। গতিকে তোমালোক সন্তানসকলৰ বহুত নিচা থকা উচিত। এতিয়া বাবা আমাক লৈ যাবলৈ আহিছে। পিতাৰ পৰা আমি স্বৰ্গৰ উত্তৰাধিকাৰ পাম। এতিয়া আমাৰ 84 জন্ম সম্পূৰ্ণ হ'ল। এনেকুৱা খেয়াল বুদ্ধিত থাকিলে আনন্দিত হ'বা। বিকাৰৰ অলপো খেয়াল আহিব নালাগে। পিতাই কয় – কাম মহাশত্ৰু। দ্ৰৌপদীয়েও এইকাৰণেই মিনতি কৰিছিল নহয়। তেওঁৰ কোনো 5 গৰাকী স্বামী নাছিল। তেওঁতো মিনতি কৰিছিল যে মোক এই দুঃশাসনে নাঙঠ কৰে, ইয়াৰ পৰা ৰক্ষা কৰক। তেন্তে 5 গৰাকী স্বামী কেনেকৈ থাকিব পাৰে। এনেকুৱা কথা হ'ব নোৱাৰে। বাৰে বাৰে তোমালোক সন্তানসকলে নতুন নতুন সাৰ কথা শুনি থাকা সেয়েহে সলনি কৰিবলগীয়া হয়, কিবা নহয় কিবা সলনি কৰি শব্দ সংযোজন কৰি দিয়া উচিত।

তোমালোকে লিখা – কম সময়ৰ ভিতৰত আমি এই ভাৰতক পৰিস্তান কৰি গঢ়ি তুলিম। তোমালোকে প্ৰত্যাহ্বান জনোৱা। পিতাই সন্তানসকলক ক'ব, সন্তানে পিতাকক প্ৰত্যক্ষ কৰায়, পিতাকে সন্তানক প্ৰত্যক্ষ কৰায়। কোনজন পিতা? শিৱ আৰু শালগ্ৰাম, ইয়াৰে গায়ন আছে। শিৱবাবাই যি বুজায় সেয়া অনুসৰণ কৰা। তেওঁৰ কাৰণেই গায়ন কৰা হয় - পিতাক অনুসৰণ কৰা। লৌকিক পিতাক অনুসৰণ কৰিলে তোমালোক পতিত হৈ যোৱা। এওঁতো পাৱন কৰি তুলিবলৈ অনুসৰণ কৰায়। পাৰ্থক্য আছে নহয়। পিতাই কয় – মৰমৰ সন্তানসকল, অনুসৰণ কৰি পৱিত্ৰ হোৱা। অনুসৰণ কৰিলেহে স্বৰ্গৰ মালিক হ'বা। লৌকিক পিতাক অনুসৰণ কৰা বাবে 63 জন্ম তোমালোক ছিৰি তললৈ নামি আহিলা। এতিয়া পিতাক অনুসৰণ কৰি আৰোহণ কৰিব লাগে। পিতাৰ লগত যাব লাগে। পিতাই কয় – এই এটি এটি ৰত্ন লাখ টকা মূল্যৰ। তোমালোকে পিতাক জানি পিতাৰ পৰা উত্তৰাধিকাৰ পোৱা। তেওঁলোকেতো কয় – ব্ৰহ্মত লীন হৈ যাম। লীনতো হ'ব নালাগে, পুনৰ আহিবা। পিতাই নিতৌ বুজাই থাকে – মৰমৰ সন্তানসকল, প্ৰথমতে সকলোকে পিতাৰ পৰিচয় দিব লাগে। পাৰলৌকিক পিতাই পাৱন কৰি তোলাৰ উত্তৰাধিকাৰ দিয়ে, সেইবাবে বেহদৰ পিতাক কয়ো – পাৱন কৰি তোলা। তেওঁ হ'ল পতিত-পাৱন। লৌকিক পিতাক পতিত-পাৱন বুলি কোৱা নহ'ব। তেওঁ নিজেই মিনতি কৰে – হে পতিত-পাৱন আহক। গতিকে দুজন পিতাৰ পৰিচয় সকলোকে দিব লাগে। লৌকিক পিতাই ক'ব – বিয়া কৰাই পতিত হোৱা, পাৰলৌকিক পিতাই কয় – পাৱন হোৱা। মোক স্মৰণ কৰিলে তোমালোক পাৱন হৈ যাবা। এজন পিতা সকলোকে পাৱন কৰি তোলোঁতা হয়। এই কথাবোৰ বুজাবলৈ বহুত ভাল। ভিন্ন ভিন্ন প্ৰকাৰৰ সাৰ কথাবোৰ বিচাৰ সাগৰ মন্থন কৰি বুজাই থাকা। এয়া তোমালোকৰে বেপাৰ হ'ল। তোমালোক হোৱাই পতিতক পাৱন কৰি তোলোঁতা। পাৰলৌকিক পিতাই এতিয়া কয় – পাৱন হোৱা, যিহেতু বিনাশ সমাগত। এতিয়া কি কৰা উচিত? নিশ্চয় পাৰলৌকিক পিতাৰ মতত চলা উচিত নহয় জানো। প্ৰদৰ্শনীত এইটোও প্ৰতিজ্ঞা লিখাব লাগে- পাৰলৌকিক পিতাক অনুসৰণ কৰিম, পতিত হোৱা এৰি দিম। লিখা – মই পিতাক প্ৰতিশ্ৰুতি দিছোঁ। সকলো হৈছে পৱিত্ৰতাৰ কথা। তোমালোক সন্তানসকল দিনে-ৰাতিয়ে আনন্দিত হোৱা উচিত – পিতাই আমাক স্বৰ্গৰ উত্তৰাধিকাৰ দি আছে। ‘অল্ফ’ (পিতা) আৰু ‘বে’, বাদশ্বাহী। এতিয়া তোমালোকে বুজি পোৱা – শিৱ জয়ন্তী মানেই ভাৰতৰ স্বৰ্গৰ জয়ন্তী। ‘গীতা’ই হ'ল সকলো শাস্ত্ৰৰ ভিতৰত শিৰোমণি। গীতা মাতা। উত্তৰাধিকাৰতো পিতাৰ পৰাই পাবা। গীতাৰ ৰচয়িতা হয়েই শিৱবাবা। পাৰলৌকিক পিতাৰ পৰা পাৱন হোৱাৰ উত্তৰাধিকাৰ পোৱা যায়। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) আমি ঈশ্বৰীয় বিদ্যাৰ্থী, সদায় এইটো স্মৃতিত ৰাখিব লাগে। কোনোধৰণৰ ছিঃ ছিঃ অভ্যাস গঠন কৰিব নালাগে। সেইবোৰ আঁতৰাব লাগে। বিকাৰৰ অলপো খেয়াল আহিব নালাগে।

(2) জীৱন্তে শৰীৰৰ বোধ পাহৰি পিতাক স্মৰণ কৰিব লাগে। জ্ঞানৰ ভিন্ন ভিন্ন কথা বিচাৰ সাগৰ মন্থন কৰি পতিতক পাৱন কৰি তোলাৰ বেপাৰ কৰিব লাগে।

**বৰদান:** সন্তুষ্টতাৰ ত্ৰিমূৰ্তি প্ৰমাণপত্ৰৰ দ্বাৰা সদায় সফলতা প্ৰাপ্ত কৰোঁতা উচ্চ পদৰ অধিকাৰী হোৱা

সদায় সফল হ'বলৈ পিতা আৰু পৰিয়ালৰ সৈতে সঠিক সম্পৰ্কৰ প্ৰয়োজন। প্ৰত্যেকে তিনিখন প্ৰমাণপত্ৰ ল'ব লাগে- পিতাৰ পৰা, নিজৰ পৰা আৰু পৰিয়ালৰ পৰা। পৰিয়ালক সন্তুষ্ট কৰিবলৈ এই সৰু কথাটি স্মৃতিত ৰাখা যে সন্মান দিয়াৰ ৰেকৰ্ড যাতে নিৰন্তৰ চলি থাকে, এই ক্ষেত্ৰত নিষ্কাম হোৱা। পিতাক সন্তুষ্ট কৰিবলৈ সৎ হোৱা। আৰু নিজৰ প্ৰতি সন্তুষ্ট থাকিবলৈ সদায় শ্ৰীমতৰ সীমাৰ ভিতৰত থাকা। এই তিনিখন প্ৰমাণপত্ৰই উচ্চ পদৰ অধিকাৰী কৰি দিব।

**শ্লোগান:** যিয়ে চিত্ৰক নাচাই চৈতন্য আৰু চৰিত্ৰক চায়, তেৱেঁই শ্ৰেষ্ঠ চৰিত্ৰৱান।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত**:** একতা আৰু বিশ্বাসৰ বিশেষত্বৰে সফলতা সম্পন্ন হোৱা

যেনেকৈ সকলো আত্মাক জ্ঞানৰ কিৰণ দিবলৈ সদায় শুভ-ভাৱনা আৰু কল্যাণৰ ভাৱনা ৰাখা। তেনেকৈ নিজৰ এই দেৱী সংগঠনকো একৰস স্থিতিত স্থিৰ কৰি সংগঠনৰ শক্তি বৃদ্ধি কৰাৰ প্ৰযত্ন কৰা তেতিয়া তোমালোকৰ এই দৈৱিক সংগঠনৰ

মূৰ্তত একতা আৰু একৰস স্থিতিৰ প্ৰত্যক্ষ ৰূপত সাক্ষাৎকাৰ হ’ব।